অধ্যায় ৭ ঃ ভাৰতীয় অংশীদাৰী আইন, ১৯৩২ (THE INDIAN PARTNERSHIP ACT, 1932)

অধ্যায় গাঁথনি (UNIT STRUCTURE)

৭.১ উদ্দেশ্য

৭.২ পৰিচয়

৭.৩ আইনখনত থকা সংজ্ঞা

৭.৪ 'অংশীদাৰী', 'অংশীদাৰ', 'প্ৰতিষ্ঠান' আৰু 'প্ৰতিষ্ঠানৰ নামৰ' সংজ্ঞা

৭.৫ অংশীদাৰীৰ প্ৰয়োজনীয় বৈশিষ্ট্য

৭.৬ অংশীদাৰী প্ৰতিষ্ঠানৰ পঞ্জীয়ন

- ৭.৬.১ ভুল তথ্য যোগানৰ বাবে জৰিমনা
- ৭.৬.২ সালসলনি
- ৭.৬.৩ পঞ্জীয়ন নকৰাৰ প্ৰভাৱ

৭.৭ অংশীদাৰী আৰু অন্য প্ৰতিষ্ঠান

- ৭.৭.১ অংশীদাৰী প্ৰতিষ্ঠান আৰু যৌথ হিন্দু ব্যৱসায়ৰ মাজত পাৰ্থক্য
- ৭.৭.২ কোম্পানী আৰু অংশীদাৰীৰ মাজৰ পাৰ্থক্য

৭.৮ অংশীদাৰীৰ প্ৰকাৰ

- ৭.৮.১ সময়ৰ ওপৰত ভিত্তি কৰি
- ৭.৮.২ অংশীদাৰৰ দেনাৰ ভিত্তিত

৭.৯ অংশীদাৰৰ বিভিন্ন প্ৰকাৰসমূহ

৭.১০ অংশীদাৰৰ অধিকাৰ আৰু কৰ্তব্য

৭.১১ তৃতীয় পক্ষলৈ অংশীদাৰ/অংশীদাৰীৰ দায়িত্ব

৭.১২ অংশীদাৰী আৰু অংশীদাৰী প্ৰতিষ্ঠানৰ অৱসায়ন

- ৭.১২.১ অংশীদাৰীৰ অৱসায়ন
- ৭.১২.২ অংশীদাৰীৰ প্ৰতিষ্ঠানৰ অৱসায়ন
- ৭.১২.৩ অংশীদাৰ অৱসায়নৰ পন্থা
- ৭.১২.৪ অৱসায়নৰ পিছত সুনাম বিক্ৰী

৭.১৩ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৭.১৪ অধিক জানিবলৈ

৭.১৫ অগ্ৰগতিৰ খতিয়ান

৭.১৬ আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অংশীদাৰীৰ অর্থ বুজিব পাৰিব,
- অংশীদাৰীৰ প্রয়োজনীয় বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব,
- অংশীদাৰী কেনেকৈ গঠন কৰা হয় জানিব পাৰিব,
- অংশীদাৰী আৰু অন্যান্য প্রকাৰৰ প্রতিষ্ঠানৰ মাজৰ পার্থক্যসমূহ জানিব পাৰিব,
- অংশীদাৰ এজনৰ অধিকাৰ আৰু কর্তব্যসমূহৰ বিষয়ে জানিব পাৰিব,
- অংশীদাৰীৰ অৱসায়নৰ বিষয়ে জানিব পাৰিব।

৭.২ পৰিচয় (INTRODUCTION)

আপোনালোকে নিশ্চয় জানে যে অংশীদাৰী হৈছে ব্যৱসায় কৰাৰ বিভিন্ন প্রকাৰবোৰৰ ভিতৰত এটা। ভাৰতবর্ষৰ অংশীদাৰী ব্যৱসায় বহুলভাৱে প্রচলিত। ভাৰতবর্ষত অংশীদাৰী ব্যৱসায় ভাৰতীয় অংশীদাৰী আইনৰ দ্বাৰা নিয়ন্ত্রণ কৰা হয়। ভাৰতীয় অংশীদাৰী আইনখনৰ পঞ্জীয়নৰ সৈতে জড়িত ধাৰা ৬৯০ বাহিৰে অন্য ধাৰাসমূহ ১ অক্টোবৰ, ১৯৩২ চনৰ পৰা প্রযোজ্য হৈছিল। ৬৯ নং ধাৰাটো ১ অক্টোবৰ ১৯৩০ ৰ পৰাহে প্রযোজ্য হৈছিল। এই আইনখনে ভাৰতীয় চুক্তি আইনৰ ধাৰা ২৩৯ পৰা ধাৰা ২৬৬লৈকে বাতিল কৰিছে। এই আইনখন জম্মু আৰু কাশ্মীৰত বাহিৰে সমগ্র ভাৰততে প্রযোজ্য।

এই অধ্যায়টিত আমি অংশীদাৰী আইনৰ বিভিন্ন ধাৰাসমূহ যেনে অংশীদাৰীৰ গঠন অংশীদাৰৰ অধিকাৰ আৰু কর্তব্য অংশীদাৰৰ অৱসায়ন ইত্যাদিৰ বিষয়ে আলোচনা কৰিম।

৭.৩ আইনখনত থকা সংজ্ঞাসমূহ (DEFINITION UNDER THE ACT)

এই আইনখনত যদিহে কোনো বিষয় বা পৰিস্থিতিৰ কোনো পৰস্পৰ বিৰোধ নাথাকে—

ক) 'প্রতিষ্ঠান এখনৰ কার্য' মানে (Act of a Firm) মানে সকলোবোৰ অংশীদাৰ বা কোনো অংশীদাৰ বা প্রতিষ্ঠানৰ কোনো প্রতিনিধিয়ে কৰা কোনো কার্য বা কার্যৰ পৰা বিৰত থকাৰ ফলত উদ্ভৱ হোৱা অধিকাৰ যাক প্রতিষ্ঠানটো আৰু প্রতিষ্ঠানটোৰ বিৰুদ্ধে বলবৎ কৰিব পাৰি।

খ) প্রত্যেক ব্যৱসায়, বৃত্তি আৰু পেচা 'ব্যৱসায়'ৰ অন্তর্ভুক্ত।

গ) 'নির্দেশ দিয়া' মানে এই আইনখনৰ অধীনত নির্ধাৰিত কৰা নীতিৰ দ্বাৰা নির্দেশ দিয়া।

(গ-১) 'পঞ্জীয়ক' মানে ধাৰা ৫৭ উপধাৰা ১ৰ অধীনত নিযুক্তি দিয়া প্রতিষ্ঠানসমূহৰ পঞ্জীয়ক লগতে সেই উপধাৰা ২ৰ অধীনত নিযুক্ত প্রতিষ্ঠানসমূহৰ উপ পঞ্জীয়ক আৰু প্রতিষ্ঠানসমূহৰ সহকাৰী পঞ্জীয়কক অন্তর্ভুক্ত কৰে।

ঘ) এখন প্ৰতিষ্ঠান আৰু অংশীদাৰৰ ক্ষেত্ৰত 'তৃতীয় পক্ষ' মানে কোনো ব্যক্তি যিজন প্ৰতিষ্ঠানখনৰ অংশীদাৰ নহয়।

৭.৪ অংশীদাৰী, অংশীদাৰ, প্ৰতিষ্ঠান আৰু প্ৰতিষ্ঠানৰ নাম (ধাৰা-৪) [DEFINITION OF "PARTNERSHIP", "PARTNER", "FIRM" AND "FIRM-NAME" (Sec-4)]

অংশীদাৰী হ'ল কেইজনমান মানুহৰ মাজৰ সম্পৰ্ক যিসকলে লগ লাগি পৰিচালনা কৰা বা সকলোৰে হৈ কোনোৱে চলাই থকা ব্যৱসায় এটাৰ মুনাফা ভগাই লোৱাত সহমত প্ৰকাশ কৰে। যিসকল ব্যক্তিয়ে এজনে আনজনৰ লগত অংশীদাৰীত আবদ্ধ হয় তেখেতসকলক ব্যক্তিগতভাৱে 'অংশীদাৰ' আৰু সমুহীয়াভাৱে 'প্ৰতিষ্ঠান' বুলি কোৱা হয় আৰু যিটো নামৰ অধীনত ব্যৱসায় চলাই তাক 'প্ৰতিষ্ঠানৰ নাম' বুলি কোৱা হয়।

এখন অংশীদাৰী প্ৰতিষ্ঠানৰ আইনগত সত্বা ইয়াৰ অংশীদাৰসকলৰ পৰা পৃথক নহয়। সেয়েহে, পৃথক আইনগত সত্বা থকা কোম্পানীসমূহৰ দৰে অংশীদাৰী প্ৰতিষ্ঠান এখনে সম্পত্তি অধিগ্ৰহন কৰিব নোৱাৰে। অংশীদাৰী প্ৰতিষ্ঠান এখনৰ নাম ঠিক কৰাৰ সময়ত অংশীদাৰসকলে তলত দিয়া দফাসমূহ মন কৰিব লাগে—

ক) নতুন প্ৰতিষ্ঠান এখনৰ নামটো আগৰ পৰা একে ধৰণৰ ব্যৱসায় কৰি থকা প্ৰতিষ্ঠান এখনৰ নামৰ লগত একে হ'ব নালাগে।

খ) নামটোত ৰজা, ৰাণী, সম্ৰাট, সম্ৰাজ্ঞী, সমাজ্ঞ, সাম্ৰাজ্য সম্বন্ধীয়, ৰাজমৰ্যাদা সূচক কোনো শব্দ বা চৰকাৰৰ ঘোষণা আৰু পৃষ্ঠপোষকতা সূচক শব্দ চৰকাৰৰ লিখিত অনুমতি অবিহনে ব্যৱহাৰ কৰিব নোৱাৰে।

৭.৫ অংশীদাৰীৰ প্ৰয়োজনীয় বৈশিষ্ট (ESSENTIAL CHARACTERISTICS OF PARTNERSHIP)

ভাৰতীয় অংশীদাৰী আইনৰ ধাৰা ৪ অনুসৰি অংশীদাৰীৰ অৰ্থ বুজি পোৱাৰ পিছত আমি এতিয়া অংশীদাৰীৰ প্ৰয়োজনীয় বৈশিষ্ট্যসমূহৰ বিষয়ে তলত আলোচনা কৰিম।

ক) **বন্দবস্ত (Agreement) ঃ** অংশাদাৰী হৈছে ব্যক্তিসমূহৰ মাজত হোৱা এক বন্দবস্তৰ পৰিণাম। অংশীদাৰীৰ সম্পৰ্ক জন্ম সূত্ৰে নহয়, বন্দবস্তৰ পৰাহে সৃষ্টি হয়। বন্দবস্ত মৌখিক বা লিখিত হ'ব পাৰে কিন্তু ই এটা বৈধ চুক্তিৰ সকলো প্ৰয়োজনীয় বৈশিষ্টসমূহ পূৰণ কৰিব লাগিব। যদি ব্যৱসায় এটাৰ মালিকে লাভৰ এটা অংশ কৰ্মচাৰীক দিয়ে, অংশীদাৰী বন্দবস্ত অবিহনে তাক আমি কেতিয়াও অংশীদাৰী বুলি ক'ব নোৱাৰো।

খ) **দুই বা ততোধিক ব্যক্তিৰ সংস্থা (Association of two or more Persons) ঃ** অংশীদাৰী হ'বলৈ দুই বা ততোধিক ব্যক্তি থাকিব লাগিব। ভাৰতীয় অংশীদাৰী আইন, ১৯৩২ ধাৰা ১১ অনুসৰি অংশীদাৰী বেংকিং ব্যৱসায়ৰ ক্ষেত্ৰত অংশীদাৰৰ সংখ্যা দহ

জনতকৈ বেছি হ'ব নালাগিব আৰু অন্য ব্যৱসায়ৰ ক্ষেত্ৰত বিছ জনতকৈ বেছি হ'ব নালাগিব। যদি অংশীদাৰৰ সংখ্যা নির্ধাৰিত সংখ্যাতকৈ বেছি হয়, তেনে ক্ষেত্ৰত ই এটা ব্যক্তিসমূহৰ বেআইনী সংস্থালৈ ৰূপান্তৰ হ'ব। এখন অংশীদাৰী প্ৰতিষ্ঠান আন এখন অংশীদাৰী প্ৰতিষ্ঠানৰ অংশীদাৰ হ'ব নোৱাৰে যদিও ইয়াৰ অংশীদাৰসমূহে আন অংশীদাৰী প্ৰতিষ্ঠানৰ অংশীদাৰ হ'ব পাৰে।

গ) **ব্যৱসায় (Carrying on of Business) ঃ** মাথো ব্যৱসায় কৰিবৰ বাবেহে এখন অংশীদাৰী প্ৰতিষ্ঠান আৰম্ভ কৰিব পাৰি। ব্যক্তিসমূহৰ সংস্থা এটাই যদি কোনো ব্যৱসায় নোহোৱাকৈ একেলগে এটি ঘৰ অধিগ্ৰহণ কৰে তাক অংশীদাৰী বুলিব নোৱাৰি। তদুপৰি ব্যৱসায়টো আইনসংগত হ'ব লাগিব। বেআইনী কার্য যেনে চুৰি, ডকাইতি, ক'লাবেপাৰ ইত্যাদিক অংশীদাৰী বুলি ক'ব নোৱাৰে। ধর্মীয়, সামাজিক বা পৰোপকাৰৰ উদ্দেশ্যে গঠন কৰা অনুষ্ঠানক অংশীদাৰী বুলিব নোৱাৰি যিহেতু এই অনুষ্ঠানবোৰ ব্যৱসায়ৰ লগত জড়িত নহয়। লগতে এইটোও মনত ৰখা উচিত যে ভৱিষ্যত কোনো ব্যৱসায় কৰাৰ বাবে কোনো বন্দবস্ত কৰিলেও যেতিয়ালৈ সময় আহি নাপাই বা ব্যৱসায়টো তাক অংশীদাৰী বুলিব নোৱাৰি (R R Same Vs Hevbern)। ব্যৱসায়টো স্থায়ী নে অস্থায়ী তাৰ কোনো অর্থ নাই, যেতিয়ালৈ এখন বৈধ বন্দবস্তৰ আধাৰত ব্যৱসায় চলাই থকা হয় তেতিয়ালৈ অংশীদাৰী বর্তি থাকে। এখন অংশীদাৰৰ বন্দবস্ত কোনো নির্ধাৰিত সময়ৰ বাবে, কোনো নির্ধাৰিত প্ৰকল্পৰ বাবে বা অনির্দিষ্ট কাল বা প্ৰকল্পৰ বাবে হ'ব পাৰে।

উদাহৰণ ঃ দুজন ল'ৰা দেউতাকৰ লগত বাস কৰি আছিল। দেউতাক এজন ব্যৱসায়ী আছিল আৰু তেওঁৰ মৃত্যু হ'ল। দেউতাকৰ মৃত্যুৰ পিছত পুত্ৰ দুজন ব্যৱসায়টোৰ উত্তৰাধিকাৰী হ'ব কিন্তু যেতিয়ালৈ তেওঁলোকৰ মাজত অংশীদাৰীৰ বন্দবস্ত নহয় তেতিয়ালৈ তেওঁলোক অৱধাৰিতভাৱে অংশীদাৰ নহয়।

ঘ) **লাভাংশ বিতৰণ (Sharing of Profits) ঃ** অংশীদাৰসকলৰ মাজত ব্যৱসায়ৰ লাভাংশ বিতৰণৰ চুক্তি থাকিব লাগিব। সামুহিক লাভালাভৰ উদ্দেশ্য নোহোৱাকৈ কোনোধৰণৰ অংশীদাৰী হ'ব নোৱাৰে। সমুহীয়া সন্মতিৰ ভিত্তিত অংশীদাৰীৰ লাভাংশ অংশীদাৰসকলৰ মাজত ভাগ কৰা হয়। এই ধাৰাত লোকচানৰ বিতৰণৰ বিষয়ে কোনোধৰণৰ বিৱৰণ দিয়া নাই। সেয়েহে লোকচান বিতৰণৰ ব্যৱস্থা প্ৰয়োজনীয় নহয় [Walker West Development Vs F J Fmmett (1978) 252 EG1171]। কিন্তু, কেৱল মাত্ৰ লাভ অংশ বিতৰণৰ অংশীদাৰীৰ একমাত্ৰ প্ৰমাণ হ'ব নোৱাৰে। উদাহৰণস্বৰূপে এজন পৰিচালকক লাভৰ এটা অংশ দিয়া হ'ব পাৰে কিন্তু ই পৰিচালকজনক ব্যৱসায়ত অংশীদাৰ কৰি নোতোলে।

ঙ) **যৌথ প্ৰতিনিধি (Mutual Agency) ঃ** অংশীদাৰী ব্যৱসায় এটা সকলো অংশীদাৰে যৌথভাৱে বা সকলোৰে হৈ তেওঁলোকৰ কোনোৱে চলাব পাৰে। অন্য কথাত

প্ৰত্যেকজন অংশীদাৰে অন্য অংশীদাৰসকলৰ সাংকেতিক প্ৰতিনিধি। প্ৰতিষ্ঠানৰ হৈ প্ৰত্যেকজন অংশীদাৰে কৰা সকলোবোৰ কামৰ বাবে আন সকলোবোৰ অংশীদাৰ দায়বদ্ধ। সেয়েহে ধাৰা ৪৩ থকা 'সকলোৱে কৰা বা সকলোৰে হৈ কোনোবা এজনে কৰা' কথাখিনিয়ে এক প্ৰতিনিধিত্বমূলক সম্পৰ্কতে গুৰুত্ব আৰোপ কৰিছে। অংশীদাৰসকল এজন আনজনৰ বাবে প্ৰতিনিধি আৰু আপোনা আপুনি মুৰব্বী। তেওঁলোকৰ সম্পৰ্ক প্ৰতিনিধি আইনৰ দ্বাৰা পৰিচালিত। অংশীদাৰসমূহ সাধাৰণতে মুৰব্বী আৰু প্ৰতিনিধি আইনৰ দ্বাৰা নিয়ন্ত্ৰিত। এই বৈশিষ্টটোৱে অংশীদাৰীৰ মূল পৰীক্ষা।

চ) **সম্পূৰ্ণ বিশ্বাস (Utmost Good Faith) ঃ** অংশীদাৰসকলৰ সম্পৰ্ক যৌথ বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰত্যেকজন অংশীদাৰে আন অংশীদাৰসকলৰ আৰু অংশীদাৰী প্ৰতিষ্ঠানখনৰ ভালৰ বাবে কাম কৰিব লাগে। তেওঁ আন সহ অংশীদাৰসকলৰ লগত সকলোধৰণৰ কাম কৰোতে সম্পূৰ্ণ বিশ্বাস ৰাখি কৰিব লাগে। তেওঁ হিচাপসমূহ নিয়াৰিকৈ দিব লাগে আৰু ব্যৱসায়ৰ পৰা গোপন লাভ আদায় কৰিব নালাগে। সম্পূৰ্ণ বিশ্বাসৰ ধাৰণাটো অংশীদাৰী আইনৰ ৯ ধাৰাত আলোচনা কৰা হৈছে য'ত অংশীদাৰসকলৰ সাধাৰণ কৰ্তব্যসমূহ আলোচনা কৰা হৈছে। ধাৰা ৯ অনুসৰি অংশীদাৰীসকলে প্ৰতিষ্ঠানৰ বৃহৎ সুবিধাৰ বাবে কাম কৰা, এজনে আনজনৰ প্ৰতি বিশ্বাসী হোৱা আৰু প্ৰতিষ্ঠানক প্ৰভাৱান্বিত কৰা সকলো হিচাপ আৰু সকলো তথ্য আন অংশীদাৰক বা তেওঁৰ আইনী প্ৰতিনিধিক দিয়াৰ বাবে বাধ্য। এই বিষয়ে আমি অংশীদাৰৰ অধিকাৰ আৰু দায়িত্ব শিতানত আলোচনা কৰিম।

ছ) **অসীমিত দেনা (Unlimited Liability) ঃ** সকলোবোৰ অংশীদাৰে সমূহীয়া আৰু কঠোৰভাৱে অসীমিতভাৱে অংশীদাৰী প্ৰতিষ্ঠানৰ দেনাৰ বাবে দায়বদ্ধ। যদিহে দেনা পৰিশোধৰ সময়ত প্ৰতিষ্ঠানখনৰ সম্পত্তি অপৰ্যপ্ত হয়। তেনে ক্ষেত্ৰত অংশীদাৰসকলৰ সম্পত্তি অসীমিতভাৱে পাওনাদাৰক ধন আদায় দিবলৈ ব্যৱহাৰ কৰিব পাৰি।

জ) **অধিকাৰ হস্তান্তৰত বাধা (Restriction on Transfer of Interest) ঃ** কোনো অংশীদাৰে আন সকলো অংশীদাৰৰ আগতিয়া অনুমতি অবিহনে নিজৰ অংশ আনলৈ হস্তান্তৰ কৰিব নোৱাৰে। ধাৰা ২৯ অনুসৰি এজন অংশীদাৰে কোনো এজন বাহিৰা ব্যক্তিক অংশীদাৰত থকা তেওঁৰ অধিকাৰ আৰু ক্ষমতা হস্তান্তৰ কৰি অংশীদাৰ পতিব নোৱাৰে। যদিওবা তেওঁ লাভৰ অংশ বা সম্পত্তিৰ অংশ হস্তান্তৰ কৰিব পাৰে, কিন্তু হস্তান্তৰ গ্ৰহিতাই কোনোধৰণৰ ব্যৱসায়ীক কাম-কাজত অংশগ্ৰহণ কৰিব নোৱাৰে।



অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং ১ ঃ অংশীদাৰীৰ চাৰিটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

৭.৬ অংশীদাৰী প্রতিষ্ঠানৰ পঞ্জীয়ন (REGISTRATION OF A PARTNERSHIP FIRM)

অংশীদাৰী আইন, ১৯৩২ অনুসৰি অংশীদাৰী প্রতিষ্ঠানৰ গঠনৰ বাবে ইয়াৰ পঞ্জীয়ন কৰাটো আইনগতভাৱে বাধ্যতামূলক নহয়। কিন্তু যদি পঞ্জীয়ন কৰা নহয়, তেন্তে কিছুমান জটিলতাৰ উদ্ভৱ হ'ব পাৰে। সেয়ে প্রতিষ্ঠান পঞ্জীভুক্ত হোৱাটো দৰকাৰ। অংশীদাৰী আইন, ১৯৩২ত উল্লেখ আছে যে অংশীদাৰসকলে ইচ্ছা কৰিলে প্রতিষ্ঠানক 'প্রতিষ্ঠানৰ পঞ্জীয়ক'ৰ জৰিয়তে পঞ্জীভুক্ত কৰিব পাৰে।

পঞ্জীভুক্ত হ'বৰ বাবে অংশীদাৰী প্রতিষ্ঠানে প্রতিষ্ঠানৰ পঞ্জীয়কক নির্ধাৰিত মাছুলসহ নির্ধাৰিত প্রপত্রত আবেদন জমা দিব লাগিব। আবেদনত এইখিনি সবিশেষ থাকিব লাগিব—

- প্রতিষ্ঠানৰ নাম
- ব্যৱসায়ৰ মুখ্য কার্যালয়
- প্রতিষ্ঠানৰ ব্যৱসায় থকা আন ঠাইসমূহৰ নাম
- অংশীদাৰসকলৰ সম্পূর্ণ নাম আৰু ঠিকনা
- অংশীদাৰৰ প্রতিষ্ঠানত অন্তর্ভুক্তিৰ তাৰিখ
- প্রতিষ্ঠানৰ সময়সীমা
- প্রতিজন অংশীদাৰৰ বা তেওঁৰ প্রতিনিধিৰ স্বাক্ষৰ।

পৰীক্ষাৰ পিছত প্রতিষ্ঠানৰ পঞ্জীয়কে তথ্যসমূহক লৈ সন্তুষ্ট হ'লে প্রতিষ্ঠানখনক পঞ্জীয়নত অন্তর্ভুক্ত কৰিব আৰু প্রতিষ্ঠানখন পঞ্জীভুক্ত হ'ব আৰু তাৰ লগে লগে পঞ্জীয়কে 'পঞ্জীয়ন প্রমাণ পত্র' প্রদান কৰিব। প্রমাণপত্র পোৱাৰ পিছত প্রতিষ্ঠানখনক এখন পঞ্জীকৃত প্রতিষ্ঠান হিচাপে জনা যাব।

৭.৬.১ ভুল তথ্য যোগানৰ বাবে জৰিমনা (Penalty for Furnishing False Particulars)

এই ধাৰাৰ অধীনত যদিহে কোনো ব্যক্তিয়ে কোনো বিৱৰণ ভুল বুলি জানিও বা শুদ্ধ নহয় বুলি গম পোৱাৰ পিছত আৰু আধৰুৱা বুলি বা সম্পূর্ণ নহয় বুলি গম পোৱাৰ পিছতো কোনো বিৱৰণ, সংশোধিত বিৱৰণ, জাননী চহী কৰে বা সন্মতি দিয়ে, তেনে ভুলৰ বাবে তেওঁক তিনিমাহ জে'ল বিহিব পাৰে বা জে'ল আৰু জৰিমনা দুয়োটা বিহিব পাৰে।

৭.৬.২ সালসলনি (Alterations)

পঞ্জীয়নৰ পিছত যিকোনো সালসলনিৰ বিষয়ে পঞ্জীয়নক জনাব লাগিব।

- **প্ৰতিষ্ঠানৰ নাম আৰু মুখ্য ব্যৱসায়ীক স্থানৰ সালসলনি (ধাৰা-৬০)** ঃ প্ৰতিষ্ঠানৰ নাম আৰু মুখ্য ব্যৱসায়ীক স্থানৰ কোনো ধৰণৰ সালসলনিৰ বাবে সকলোবোৰ অংশীদাৰৰ স্বাক্ষৰ সম্বলিত এখন নতুন আবেদন পত্ৰ পঞ্জীয়কলৈ প্ৰয়োজনীয় মাচুল সহিতে পঠিয়াব লাগে।
- **শাখা আৰম্ভ বা বন্ধ কৰাৰ লগত জড়িত সালসলনি (ধাৰা-৬১)** ঃ যদিহে কোনো পঞ্জীকৃত অংশীদাৰী প্ৰতিষ্ঠানে যিকোনো স্থানৰ ব্যৱসায় বন্ধ কৰিব বা কোনো নতুন স্থানত ব্যৱসায় আৰম্ভ কৰিব বিচাৰে, প্ৰতিষ্ঠানখনৰ যিকোনো অংশীদাৰে বা প্ৰতিনিধিয়ে পঞ্জীয়কলৈ এখন জাননী পঠিয়াব লাগে।
- **কোনো অংশীদাৰ নাম বা স্থায়ী ঠিকনাৰ সালসলনি (ধাৰা-৬২)** ঃ যদিহে পঞ্জীকৃত অংশীদাৰী প্ৰতিষ্ঠানৰ কোনো অংশীদাৰে তেওঁৰ নাম বা স্থায়ী ঠিকনা সলনি কৰে, তেনে ক্ষেত্ৰত প্ৰতিষ্ঠানখনৰ যিকোনো অংশীদাৰে বা প্ৰতিনিধিয়ে পঞ্জীয়কলৈ এখন জাননী পঠিয়াব লাগে।
- ধাৰা ৬৩ (২)ৰ অধীনত, যেতিয়া এজন নাবালক অংশীদাৰে সাবালকত্ব লাভ কৰে আৰু অংশীদাৰ হৈ থাকিব বা নাথাকিবৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰে, তেওঁ বা তেওঁৰ হৈ নিযুক্ত প্ৰতিনিধিয়ে তেওঁ অংশীদাৰ হৈ থাকিব নে নাথাকে তাৰ বিষয়ে পঞ্জীয়কক জনাব লাগে।

৭.৬.৩ পঞ্জীয়ন নকৰাৰ প্ৰভাৱ (Effect of Non-Registration)

যদিও অংশীদাৰী প্ৰতিষ্ঠান এখনৰ পঞ্জীয়ন বাধ্যতামূলক নহয়, কিন্তু এখন অপঞ্জীয়কৃত প্ৰতিষ্ঠানে কিছুমান সুবিধা লাভ কৰিব নোৱাৰে। সেইবোৰ তলত আলোচনা কৰা হ'ল—

- এখন অপঞ্জীকৃত প্ৰতিষ্ঠানৰ অংশীদাৰ এজনে আন অংশীদাৰৰ বিৰুদ্ধে বা প্ৰতিষ্ঠানখনৰ বিৰুদ্ধে তেওঁ চুক্তিৰ পৰা বা অংশীদাৰী আইনৰ পৰা পোৱা কোনো অধিকাৰ সাব্যস্ত কৰিবৰ বাবে আইনী গোচৰ তৰিব নোৱাৰে যদিহে অংশীদাৰী প্ৰতিষ্ঠানটো পঞ্জীকৃত হৈ নাথাকে।
- যদিহে অংশীদাৰী প্ৰতিষ্ঠানখন পঞ্জীকৃত হৈ নাথাকে বা যিজনে গোচৰ তৰে তেওঁ পঞ্জীয়কৰ ওচৰত প্ৰতিষ্ঠানখনৰ সদস্য হিচাপে পঞ্জীকৃত হৈ নাথাকে তেনে ক্ষেত্ৰত প্ৰতিষ্ঠানখনে কোনো তৃতীয় পক্ষৰ বিৰুদ্ধে গোচৰ তৰিব নোৱাৰে।
- এখন অপঞ্জীকৃত প্ৰতিষ্ঠান বা ইয়াৰ অংশীদাৰসমূহে দুটা ধৰুৱা বিৰোধী পক্ষৰ মাজত সমিল মিলেৰে গোচৰ নিষ্পত্তিৰ দাবী কৰিব নোৱাৰে বা তৃতীয় পক্ষৰ

সৈতে থকা গোচৰৰ বিৱৰণি বিচাৰিব নোৱাৰে। সেয়েহে প্ৰতিখন অংশীদাৰী প্ৰতিষ্ঠানে পঞ্জীয়ন কৰাতো বাঞ্ছনীয়। কিন্তু, অংশীদাৰী প্ৰতিষ্ঠান এখন পঞ্জীয়ন নকৰিলে তলত দিয়া বিষয়সমূহত কোনোধৰণৰ প্ৰভাৱ নপৰে—

- প্ৰতিষ্ঠানখনৰ বা প্ৰতিষ্ঠানৰ কোনো অংশীদাৰৰ বিৰুদ্ধে তৃতীয় পক্ষৰ গোচৰ তৰাৰ অধিকাৰ।
- এনে কোনো ঠাই য'ত আইনৰ বিস্তৃতি আছে কিন্তু তাত প্ৰতিষ্ঠানখনৰ কোনো ব্যৱসায়ৰ স্থান বা অংশীদাৰ নাই।
- অৱসায়ন হোৱা কোনো প্ৰতিষ্ঠানৰ বিৰুদ্ধে কোনো গোচৰ তৰা তেনে প্ৰতিষ্ঠানৰ সম্পত্তি আদায় কৰা।
- The Presidency-towns Insolvency Act, 1909 (3 of 1909) আৰু The Provincial Insolvency Act, 1920 (5 of 1920)ৰ অধীনত এজন আইনে নিয়োগ কৰা ব্যক্তিৰ এজন দেউলিয়া অংশীদাৰৰ পৰা সম্পত্তি আদায়ৰ অধিকাৰ।

৭.৭ অংশীদাৰী আৰু অন্য প্ৰতিষ্ঠান (PARTNERSHIP AND OTHER ASSOCIATIONS)

৭.৭.১ অংশীদাৰী প্ৰতিষ্ঠান আৰু যৌথ হিন্দু ব্যৱসায়ৰ মাজত পাৰ্থক্য (Distinction Between Partnership and HUF)

পাৰ্থক্যৰ বিষয়	অংশীদাৰী	যৌথ হিন্দু ব্যৱসায়
নিয়ন্ত্ৰণ	অংশীদাৰী ব্যৱসায় ভাৰতীয় অংশীদাৰী আইনৰ 1932 ৰ ব্যৱস্থাৰ দ্বাৰা পৰিচালিত।	যৌথ হিন্দু ব্যৱসায় Hindu law (Succession) Act, 1956 ৰ নীতিৰ দ্বাৰা পৰিচালিত।
গঠন	অংশীদাৰসকলৰ মাজৰ চুক্তিৰ আধাৰত অংশীদাৰী গঠন হয়।	যৌথ হিন্দু ব্যৱসায় চুক্তিৰ দ্বাৰা গঠিত নহয়।
নতুন অংশীদাৰ ভৰ্তি	অংশীদাৰী প্ৰতিষ্ঠানত নতুন অংশীদাৰ ভৰ্তিৰ বাবে সকলো অংশীদাৰৰ সন্মতিৰ প্ৰয়োজন হয়।	যৌথ হিন্দু ব্যৱসায়ত ক্ষেত্ৰত জন্মৰ সূত্ৰেহে নতুন সদস্য ভৰ্তি সম্ভৱ।
মহিলাৰ স্থান	এটা অংশীদাৰী প্ৰতিষ্ঠানত মহিলা এগৰাকী সম্পূৰ্ণ ৰূপে অংশীদাৰ হ'ব পাৰে।	যৌথ হিন্দু ব্যৱসায়ত মহিলাৰ অংশ গ্ৰহণ সীমাবদ্ধ।
অংশীদাৰৰ সংখ্যা	অংশীদাৰী প্ৰতিষ্ঠানৰ ক্ষেত্ৰত বেংকিং ব্যৱসায়ত সৰ্বোচ্চ ১০ জন আৰু অন্য ব্যৱসায়ৰ ক্ষেত্ৰত ২০ জন অংশীদাৰ থাকিব পাৰে।	যৌথ হিন্দু ব্যৱসায়ৰ ক্ষেত্ৰত সদস্যৰ সংখ্যাৰ কোনো সীমা নাই।

অংশীদাৰসকলৰ দেনা	অংশীদাৰী ব্যৱসায়ৰ ক্ষেত্ৰত অংশীদাৰসকলৰ দেনা যৌথ আৰু অসীমিত। প্ৰত্যেকজন অংশীদাৰৰ ব্যক্তিগত সম্পত্তি অংশীদাৰীৰ ঋণৰ বাবে দায়ী আৰু প্ৰতিষ্ঠানৰ সম্পত্তি দেনা পৰিশোধৰ বাবে অপৰ্যাপ্ত হ'লে অংশীদাৰৰ ব্যক্তিগত সম্পত্তি ব্যৱহাৰ কৰিব পাৰি।	যৌথ হিন্দু ব্যৱসায়ৰ ক্ষেত্ৰত কৰ্তা জনৰহে দায়িত্ব অসীমিত বাকী সদস্যবোৰৰ দায়িত্ব ব্যৱসায়ত তেওঁলোকৰ অংশলৈ সীমাবদ্ধ।
লাভাংশ	অংশীদাৰী ব্যৱসায়ত প্ৰত্যেকজন অংশীদাৰৰে ব্যৱসায়ৰ লাভৰ অংশ দাবী কৰাৰ অধিকাৰ থাকে।	যৌথ হিন্দু ব্যৱসায়ৰ ক্ষেত্ৰত সদস্যসকলৰ তেনে কোনো অধিকাৰ নাই।
সদস্যৰ মৃত্যুৰ প্ৰভাৱ	এজন অংশীদাৰৰ মৃত্যু হ'লেই এখন অংশীদাৰী প্ৰতিষ্ঠান বন্ধ হৈ যায়।	এজন সদস্যৰ মৃত্যুত যৌথ হিন্দু ব্যৱসায় বন্ধ হৈ নাযায়।

৭.৭.২ কোম্পানী আৰু অংশীদাৰীৰ মাজৰ পাৰ্থক্য (Distinction Between Company and Partnership)

কোম্পানী	অংশীদাৰী
১) কোম্পানী এটাক এজন কৃত্ৰিম ব্যক্তি হিচাপে গণ্য কৰা হয়।	অংশীদাৰী এটা কৃত্ৰিম ব্যক্তি হিচাপে গণ্য কৰা নহয়।
২) কোম্পানী এটাৰ চিৰস্থায়ী জীৱন আছে।	অংশীদাৰী প্ৰতিষ্ঠান এটাৰ চিৰস্থায়ী জীৱন নাই।
৩) কোম্পানী আইনৰ অধীনত কোম্পানী এটাৰ পঞ্জীয়ন বাধ্যতামূলক।	অংশীদাৰী প্ৰতিষ্ঠান এটাৰ পঞ্জীয়ন বাধ্যতামূলক নহয়। ই ভাৰতীয় চুক্তি আইন আৰু ভাৰতীয় অংশীদাৰী আইনৰ দ্বাৰা পৰিচালিত।
৪) এটা ব্যক্তিগত কোম্পানীৰ সৰ্বনিম্ন দুজন আৰু সৰ্বোচ্চ পঞ্চাশজন সদস্য থাকিব পাৰে আৰু ৰাজহুৱা কোম্পানীৰ ক্ষেত্ৰত সৰ্বনিম্ন সদস্য সংখ্যা ৭ আৰু সৰ্বোচ্চ সদস্য সংখ্যা অপৰিসীম।	এটা অংশীদাৰী প্ৰতিষ্ঠানৰ ক্ষেত্ৰত সৰ্বনিম্ন সদস্য সংখ্যা দুই আৰু সৰ্বোচ্চ বিছজন। বেংকিং ব্যৱসায়ৰ ক্ষেত্ৰত সৰ্বোচ্চ অংশীদাৰৰ সংখ্যা দহজন।
৫) কোম্পানী এটাৰ অংশ সহজে হস্তান্তৰ কৰিব পাৰি।	অংশীদাৰ এজনে অংশ হস্তান্তৰ কৰিব পাৰে কিন্তু নিয়োগী ব্যক্তিজন অকল লাভাংশহে পায়। তেওঁ অংশীদাৰ হ'ব নোৱাৰে।
৬) কোম্পানীৰ সদস্যসকলৰ দেনা অংশৰ দ্বাৰা সীমিত।	অংশীদাৰ এজনৰ দেনা অসীমিত।
৭) সঞ্চালক সদস্যসকলৰ বাহিৰে আন সাধাৰণ সদস্যসকলে ব্যৱসায় পৰিচালনাত অংশগ্ৰহণ কৰিব নোৱাৰে।	সকলো সদস্যই ব্যৱসায় পৰিচালনাত অংশগ্ৰহণ কৰিব পাৰে।
৮) ব্যক্তিগত খণ্ডৰ কোম্পানী এটাৰ ক্ষেত্ৰত সৰ্বনিম্ন এক লাখ টকাৰ মূলধন আৰু ৰাজহুৱা কোম্পানীৰ ক্ষেত্ৰত পাঁচ লাখ টকাৰ সৰ্বনিম্ন মূলধনৰ প্ৰয়োজন হয়।	অংশীদাৰী ব্যৱসায়ৰ ক্ষেত্ৰত তেনে কোনো সৰ্বনিম্ন মূলধনৰ ব্যৱস্থা নাই।
৯) সদস্যসকলৰ কাৰ্যই কোম্পানীক প্ৰভান্বিত নকৰে।	অংশীদাৰ এজন অংশীদাৰীৰ আৰু আন অংশীদাৰসকলৰ প্ৰতিনিধি। তেওঁৰ কামে প্ৰতিষ্ঠানক আৰু আন সদস্যক প্ৰভান্বিত কৰে।

যৌথ হিন্দু ব্যৱসায় এটাত যৌথ হিন্দু পৰিয়ালৰ সকলো সদস্যই অংশগ্ৰহণ কৰে। ব্যৱসায়ৰ কাম-কাজসমূহ পৰিয়ালৰ আটাইতকৈ বয়োজ্যেষ্ঠ সদস্যজনে চোৱাচিতা কৰে। যৌথ হিন্দু পৰিয়ালৰ ব্যৱসায় আৰু অংশীদাৰী প্ৰতিষ্ঠানৰ মাজৰ পাৰ্থক্যসমূহ তলত আলোচনা কৰা হ'ল—



অগ্ৰগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্ৰশ্ন নং ২ ঃ অংশীদাৰী আৰু কোম্পানীৰ মাজৰ দুটা পাৰ্থক্য লিখক।

.....

.....

.....

.....

.....

৭.৮ অংশীদাৰীৰ প্ৰকাৰ (TYPES OF PARTNERSHIP)

অংশীদাৰীৰ কাল আৰু অংশীদাৰসকলৰ দেনাক ভিত্তি কৰি অংশীদাৰীক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি।

৭.৮.১ সময়ৰ ওপৰত ভিত্তি কৰি (On the Basis of Duration)

- **ইচ্ছাকৃত অংশীদাৰী (Partnership at Will) ঃ** যেতিয়া এটা অংশীদাৰী কোনো নিৰ্দিষ্ট সময় বা প্ৰকল্পক ভিত্তি কৰি আৰম্ভ নকৰি এক অনিৰ্দিষ্ট কাললৈ লক্ষ্য কৰি আৰম্ভ কৰা হয়, তেনে অংশীদাৰক ইচ্ছাকৃত অংশীদাৰ বোলা হয়। এনেধৰণৰ অংশীদাৰীৰ স্থায়িত্ব অংশীদাৰসকলৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰে। যিকোনো অংশীদাৰে আগতীয়া জাননী দি অংশীদাৰী ভংগ কৰিব পাৰে।
- **বিশেষ অংশীদাৰী (Particular Partnership) ঃ** যেতিয়া এটা অংশীদাৰী কোনো এটা বিশেষ কাম বা প্ৰকল্পৰ বাবে আৰম্ভ কৰা হয় তেনে অংশীদাৰীক বিশেষ অংশীদাৰী বোলা হয়। যেতিয়াই বিশেষ উদ্দেশ্যটো সফল হয় তেতিয়াই অংশীদাৰীটো বন্ধ হৈ যায়। উদাহৰণ স্বৰূপে যদিহে এখন দলং নিৰ্মাণ কৰাৰ বাবে এটা অংশীদাৰী গঠন কৰা হয়, দলংখনৰ কাম সম্পূৰ্ণ হোৱাৰ লগে লগে অংশীদাৰীটো বন্ধ হৈ যাব। এইটো এটা বিশেষ অংশীদাৰীৰ উদাহৰণ।

৭.৮.২ অংশীদাৰৰ দেনাৰ ভিত্তিত (On the Basis of Liability of Partners)

- **সাধাৰণ অংশীদাৰী (General Partnership) ঃ** সাধাৰণ অংশীদাৰীত অংশীদাৰসকলৰ দেনা অসীমিত যদিও তেওঁলোকে প্ৰতিষ্ঠানখনৰ পৰিচালনাত অংশগ্ৰহণ কৰিব পাৰে। অংশীদাৰীসকল যৌথ প্ৰতিনিধিত্বৰ দ্বাৰা সাঙোৰ খাই থাকে। কোনো অংশীদাৰৰ মৃত্যু, মনোবিকাৰগ্ৰস্ততা বা আন কোনো কাৰণত যদি অংশীদাৰীৰ পৰা আতৰি আহিব লগীয়া হয়, তেতিয়া প্ৰতিষ্ঠানখনৰ অৱসান ঘটে।
- **সীমিত অংশীদাৰী (Limited Partnership) ঃ** যি অংশীদাৰীত এজনৰ বাদে আন সকলো অংশীদাৰৰে দেনা তেওঁলোকে বিনিয়োগ কৰা মূলধনৰ পৰিমাণলৈ সীমিত থাকে, তেনে অংশীদাৰীক সীমিত অংশীদাৰী বোলা হয়। সীমিত দেনাৰ অংশীদাৰজনৰ প্ৰতিষ্ঠানখনৰ পৰিচালনাত অংশগ্ৰহণ কৰাৰ কোনো অধিকাৰ নাথাকে। সীমিত দেনাৰ অংশীদাৰজনৰ মৃত্যু, মনোৱিকাৰগ্ৰস্ততা বা দেউলিয়া অৱস্থাই অংশীদাৰী প্ৰতিষ্ঠানখনৰ ব্যৱসায়ত কোনো প্ৰভাৱ নেপেলাই।

৭.৯ অংশীদাৰৰ বিভিন্ন প্ৰকাৰসমূহ (TYPES OF PARTNERS)

এখন অংশীদাৰী প্ৰতিষ্ঠানত বিভিন্ন প্ৰকাৰৰ অংশীদাৰ থাকিব পাৰে যিবোৰ তলত আলোচনা কৰা হ'ল—

ক) **সক্ৰিয় অংশীদাৰ (Active Partner) ঃ** যিজন অংশীদাৰে ব্যৱসায়ত মূলধন বিনিয়োগ কৰাৰ উপৰিও প্ৰতিষ্ঠানখনৰ পৰিচালনাত আৰু দৈনন্দিন কাম-কাজত সক্ৰিয় অংশগ্ৰহণ কৰে, তেনে অংশীদাৰকে সক্ৰিয় অংশীদাৰ বোলা হয়।তেওঁক প্ৰকৃত বা প্ৰকাশ্য অংশীদাৰ বুলিও কোৱা হয়। ব্যৱসায়ৰ দৈনন্দিন লেনদেনৰ ক্ষেত্ৰত তেওঁ আন অংশীদাৰসকলক প্ৰতিনিধিত্ব কৰে আৰু প্ৰকৃত অৰ্থত তেওঁক এজন পূৰ্ণক্ষমতাপ্ৰাপ্ত অংশীদাৰ হিচাপে গণ্য কৰা হয়। প্ৰতিষ্ঠানখনৰ সকলো ঋণৰ বাবে তেওঁৰ দেনা অসীমিত।

খ) **নামমাত্ৰৰ অংশীদাৰ (Nominal Partner) ঃ** নাম মাত্ৰৰ অংশীদাৰ জনে ব্যৱসায়ত কোনো মূলধন বিনিয়োগ নকৰে, লাভত আৰু প্ৰতিষ্ঠানখনৰ পৰিচালনাত অংশগ্ৰহণ নকৰে। এনেধৰণৰ অংশীদাৰে কেৱল তেওঁৰ নামটো ব্যৱহাৰ কৰিবলৈহে প্ৰতিষ্ঠানখনক অনুমতি প্ৰদান কৰে আৰু প্ৰতিষ্ঠানখনেও মানুহজনৰ সুনামৰ সুবিধা গ্ৰহণ কৰে। যদিও প্ৰতিষ্ঠানখনত তেওঁৰ কোনো অধিকাৰ নাথাকে তথাপিও অংশীদাৰী প্ৰতিষ্ঠানখনৰ তৃতীয় পক্ষৰ প্ৰতি থকা সকলো দেনাৰ ক্ষেত্ৰত তেওঁ দায়বদ্ধ থাকে।

গ) **সুপ্ত বা নিষ্ক্ৰীয় অংশীদাৰ (Sleeping or Dormant Partner) ঃ** এজন সুপ্ত বা নিষ্ক্ৰীয় অংশীদাৰে ব্যৱসায়ৰ পৰিচালনাত সক্ৰিয় অংশগ্ৰহণ নকৰে। তেওঁ মূলধন বিনিয়োগ কৰে আৰু লাভত অংশগ্ৰহণ কৰে কিন্তু তেওঁৰ অংশ সক্ৰিয় অংশীদাৰতকৈ কম হয়।

ঘ) **কেৱল লাভৰ অংশীদাৰ (Partner in Profits only) ঃ** কেৱল লাভৰ অংশীদাৰজনৰ লোকচানৰ বাবে কোনো দেয় নাথাকে কিন্তু তেওঁ লাভৰ অংশীদাৰ হয়। প্ৰতিষ্ঠানখনৰ পৰিচালনাত তেওঁ কোনো অংশ গ্ৰহণ নকৰে কিন্তু প্ৰতিষ্ঠানখনৰ সকলো ঋণৰ বাবে তেওঁৰ দেনা অসীমিত।

ঙ) **গোপন অংশীদাৰ (Secret Partner) ঃ** যিজন অংশীদাৰে মূলধন বিনিয়োগ কৰে আৰু সক্ৰিয়ভাৱে প্ৰতিষ্ঠানখনৰ কাৰ্যত অংশগ্ৰহণ কৰে কিন্তু প্ৰতিষ্ঠানখনৰ লগত তেওঁৰ সম্বন্ধ ৰাজহুৱা কৰা নহয়, তেনে অংশীদাৰজনক গোপন অংশীদাৰ বোলা হয়। প্ৰতিষ্ঠানখনৰ সকলো ঋণৰ বাবে তেওঁৰ দেনা অসীমিত।

চ) **এছটোপেলৰ দ্বাৰা অংশীদাৰ (Partner by Estoppel) ঃ** যেতিয়া এজন মানুহে মিছাকৈ নিজকে এজন অংশীদাৰ বুলি জাহিৰ কৰে বা এনেদৰে ব্যৱহাৰ কৰে যে অন্য মানুহে তেওঁক অংশীদাৰী প্ৰতিষ্ঠানখনৰ অংশীদাৰ বুলি ভাবে। তেনে মানুহক এছটোপেলৰ দ্বাৰা অংশীদাৰ বোলা হয়। কোনো তৃতীয় পক্ষই তেনে অংশীদাৰৰ লগত লেন-দেন কৰি লোকচানৰ সন্মুখীন হ'লে তেওঁ এছটোপেলৰ দ্বাৰা অংশীদাৰ হোৱাজনক তেনে লোকচানাৰ বাবে জগৰীয়া কৰিব পাৰে। উদাহৰণস্বৰূপে— 'ক' আৰু 'খ' এখন অংশীদাৰী প্ৰতিষ্ঠানৰ দুজন অংশীদাৰ যদি 'গ' (এজন বাহিৰৰ মানুহ) নিজকে প্ৰতিষ্ঠানখনৰ অংশীদাৰ বুলি জাহিৰ কৰি 'ঘ'ৰ লগত কোনো লেন-দেন কৰে আৰু 'ঘ'ৰ লোকচান হয় তেনে লোকচানৰ বাবে তেওঁ 'গ'ক জগৰীয়া কৰিব পাৰে।

ছ) **হ'ল্ডিং আউটৰ দ্বাৰা অংশীদাৰ (Partner by Holding out) ঃ** যদি অংশীদাৰী প্ৰতিষ্ঠান এখনৰ অংশীদাৰসমূহে এজন ব্যক্তিক প্ৰতিষ্ঠানখনৰ অংশীদাৰ বুলি ঘোষণা কৰাৰ পিছত ব্যক্তিজনে কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰে, তেনে ব্যক্তিজনক হ'ল্ডিং আউটৰ দ্বাৰা অংশীদাৰ বুলি কোৱা হয়। যদিহে কোনো তৃতীয় পক্ষই হ'ল্ডিং আউটৰ দ্বাৰা অংশীদাৰ হোৱা ব্যক্তিজনৰ প্ৰকৃত অংশীদাৰ বুলি ভাবি কোনো লেন-দেনত জড়িত হয়, তেনেক্ষেত্ৰত তৃতীয় পক্ষই হ'ল্ডিং আউটৰ দ্বাৰা অংশীদাৰ হোৱা ব্যক্তিজনৰ পৰা লোকচানৰ ক্ষতিপূৰণ দাবী কৰিব পাৰে। উদাহৰণস্বৰূপে— 'ক' আৰু 'খ' অংশীদাৰী প্ৰতিষ্ঠান এখনৰ অংশীদাৰ, তেওঁলোকে 'গ'ক অংশীদাৰ বুলি ঘোষণা কৰিলে আৰু 'গ'ই কোনো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে। তেনেক্ষেত্ৰত 'গ'ক হ'ল্ডিং আউটৰ দ্বাৰা অংশীদাৰ বুলি গণ্য কৰা হ'ব।

জ) **নাবালক অংশীদাৰ (Minor Partner) ঃ** যিজন অংশীদাৰৰ বয়স ১৮ বছৰতকৈ কম, তেওঁক নাবালক অংশীদাৰ বোলা হয়। চুক্তিৰ ভিত্তিত অংশীদাৰী সৃষ্টি কৰা হয় কিন্তু এজন নাবালক চুক্তি কৰাৰ বাবে উপযুক্ত নহয়, সেয়েহে এজন নাবালক পূৰ্ণক্ষমতাপ্ৰাপ্ত অংশীদাৰ নহয়। কিন্তু আন সকলো অংশীদাৰৰ অনুমতি মৰ্মে অংশীদাৰীৰ লাভালাভৰ বাবে নাবালক এজনক অংশীদাৰীত অন্তৰ্ভুক্ত কৰি ল'ব পাৰি। প্ৰতিষ্ঠানখনৰ ঋণৰ বাবে তেওঁ ব্যক্তিগতভাৱে দায়বদ্ধ নহয়। কিন্তু তেওঁ বিনিয়োগ কৰা মূলধনৰ পৰিমাণলৈ তেওঁৰ দেনা সীমিত থাকিব। প্ৰতিষ্ঠানখনৰ হৈ তেওঁৰ কোনো সামগ্ৰী ক্ৰয়-বিক্ৰয় কৰাৰ বা আনৰ লগত হোৱা কোনো চুক্তিত স্বাক্ষৰ কৰাৰ অধিকাৰ

নাথাকে। নাবালক হৈ থকা সময়ছোৱাত নাবালকজনে লাভৰ নির্ধাৰিত অংশ পাব আৰু প্রতিষ্ঠানখনৰ হিচাপসমূহ চোৱা আৰু সংগ্রহ কৰাৰ অধিকাৰ পাব। নাবালক অংশীদাৰৰ অধিকাৰ আৰু দায়িত্বসমূহ ধাৰা ৩০ত সন্নিৱিষ্ট কৰা হৈছে। যিবোৰ তলত আলোচনা কৰা হ'ল—

১) নাবালকজনে তেওঁৰ নিজৰ ভাগৰ সম্পত্তি আৰু লাভ গ্রহণৰ অধিকাৰ পাই।

২) নাবালকজনে প্রতিষ্ঠানৰ হিচাপৰ বহী নিৰীক্ষণ কৰা আৰু নকল সংগ্রহ কৰাৰ অধিকাৰ পায়। কিন্তু এনে অধিকাৰ হিচাপ বহীত বাহিৰে অন্য বহীত প্রযোজ্য নহয়।

৩) প্রতিষ্ঠানখনৰ দেনাৰ বাবে নাবালকজন ব্যক্তিগতভাৱে তৃতীয় পক্ষৰ ওচৰত দায়বদ্ধ নহয়। তেওঁৰ দায়িত্ব কেৱল অংশীদাৰত তেওঁৰ সম্পত্তি আৰু লাভৰ অংশলৈ সীমিত। যদিহে প্রতিষ্ঠানখনৰ দেনা আদায় দিওঁতে প্রতিষ্ঠানৰ সম্পত্তিৰে নুকুলাই তেনে ক্ষেত্রত নাবালকৰ ব্যক্তিগত সম্পত্তি ব্যৱহাৰ কৰিব নোৱাৰিব।

৪) নাবালকজনে ব্যৱসায় পৰিচালনাৰ ক্ষেত্রত কোনোধৰণৰ সহযোগ কৰিব নোৱাৰে।

৫) যেতিয়ালৈ নাবালক জনে প্রতিষ্ঠানখনৰ লগত সম্পর্ক ছিন্ন নকৰে তেতিয়ালৈ তেওঁৰ সম্পত্তি বা লাভৰ অংশৰ বাবে অংশীদাৰসকলৰ বিৰুদ্ধে কোনো গোচৰ তৰিব নোৱাৰে।

৬) সাবালকত্ব লাভৰ কৰাৰ পিছত যদি নাবালকজনে অংশীদাৰী হিচাপে থাকে তেনে ক্ষেত্রত তেওঁৰ দেনা অসীম হ'ব আৰু সাধাৰণ অংশীদাৰসকলে লাভ কৰা সকলো অধিকাৰ তেওঁ লাভ কৰিব। তেওঁ যে অংশীদাৰ হিচাপে থাকবি বিচাৰে তাৰ বাবে তেওঁ ৰাজহুৱা জাননী বা ঘোষণা কৰিব লাগিব যদি তেনে জাননী বা ঘোষণা নকৰে তেনে ক্ষেত্রত তেওঁ অংশীদাৰ হিচাপে থাকিব বুলি ধৰা হ'ব আৰু তেওঁৰ দেনা অপৰিসীম হ'ব।

৭) যেতিয়া নাবালকজন অংশীদাৰ নহয়—

ক) যিদিনালৈ নাবালকজনে ৰাজহুৱা জাননী নিদিয়ে সেইদিনালৈ নাবালক হিচাপে তেওঁৰ দায়িত্ব আৰু কর্তব্য অব্যাহত থাকিব।

খ) জাননী দিয়াৰ দিনাৰ পৰা তেওঁৰ অংশ ব্যৱসায়ৰ কোনো কাম কৰাৰ বাবে দায়ী নহ'ব।

গ) তেওঁৰ অংশৰ বাবে তেওঁ অন্য অংশীদাৰসকলৰ বিৰুদ্ধে গোচৰ তৰিব পাৰে।

৮) সাবালক হোৱাৰ পিছত কিন্তু অংশীদাৰ হিচাপে থাকিবলৈ সিদ্ধান্ত লোৱাৰ আগতে নিজকে প্রতিষ্ঠানখনৰ অংশীদাৰ বুলি কৈ কৰা কামৰ বাবে তেওঁ ব্যক্তিগতভাৱে দায়ী হ'ব।



অগ্রগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্রশ্ন নং ৩ ঃ সুপ্ত অংশীদাৰ কাক বোলে?

.....

.....

৭.১০ অংশীদাৰৰ অধিকাৰ আৰু কর্তব্য (RIGHTS AND DUTIES OF PARTNERS)

অংশীদাৰী আইনক ভিত্তি কৰি প্রতিষ্ঠান এখনৰ অংশীদাৰসকলৰ অধিকাৰ আৰু কর্তব্যসমূহ অংশীদাৰী চুক্তিৰ দ্বাৰা নির্ধাৰিত হয় আৰু তেনে চুক্তি লিখিত বা মৌখিক হ'ব পাৰে।

অংশীদাৰসকলৰ অধিকাৰ (Rights of Partners) ঃ অংশীদাৰী আইনে প্রতিষ্ঠান এখনৰ অংশীদাৰসকলক তলত দিয়া অধিকাৰসমূহ প্রদান কৰিছে—

১) **ব্যৱসায়ত অংশগ্রহণ কৰাৰ অধিকাৰ (Right to take part in the conduct of the business)** [**ধাৰা ১২**(a)] ঃ যদিও কোনো এজন অংশীদাৰে ব্যৱসায় পৰিচালনাত অংশগ্রহণ নকৰে, সকলোবোৰ অংশীদাৰৰে প্রতিষ্ঠানৰ ব্যৱসায়ীক কাম-কাজত অংশগ্রহণ কৰাৰ এক সহজাত অধিকাৰ লাভ কৰে।

২) **মতামত প্রকাশ কৰাৰ অধিকাৰ (Right to express opinion)** [**ধাৰা ১২**(b)] ঃ কোনো সিদ্ধান্ত গ্রহণ কৰাৰ আগতে সকলোবোৰ অংশীদাৰৰে মতামত প্রকাশ কৰাৰ বা আলোচনা কৰাৰ অধিকাৰ আছে। ব্যৱসায়ৰ সাধাৰণ কাম-কাজৰ ক্ষেত্রত গৰিষ্ঠ সংখ্যক অংশীদাৰৰ মতামত লৈ সিদ্ধান্ত ল'ব পাৰে কিন্তু ব্যৱসায় সলনি বা অংশীদাৰীৰ সংখ্যাৰ সাল-সলনি কৰিবৰ বাবে সকলো অংশীদাৰৰে সহমত লাগিব।

৩) **হিচাপৰ বহী চোৱাৰ অধিকাৰ (Right of access to books)** [**ধাৰা ১২**(d)] ঃ প্রত্যেকজন অংশীদাৰৰে প্রতিষ্ঠানৰ হিচাপৰ বহী নিৰীক্ষণ কৰাৰ অধিকাৰ আছে।

৪) **লাভাংশ বিতৰণৰ অধিকাৰ (Right to share the profits) ঃ** সকলো অংশীদাৰে প্রতিষ্ঠানখনে অর্জন কৰা লাভ ভগাই লোৱাৰ অধিকাৰ থাকে।

৫) **মূলধনৰ ওপৰত সুত পোৱাৰ অধিকাৰ (Right to interest on capital) ঃ** যদিহে কোনো অংশীদাৰে মূলধনৰ ওপৰত সুত পোৱাৰ অধিকাৰ থাকে, তেনে সুত প্রতিষ্ঠানৰ লাভৰ পৰা দিব লাগিব।

৬) **ঋণৰ বাবদ সুত পোৱাৰ অধিকাৰ (Right to interest on advances) ঃ** যদিহে কোনো অংশীদাৰে ব্যৱসায়ৰ বাবে তেওঁৰ নির্ধাৰিত অংশৰ মূলধনতকৈ বেছি ধন প্রতিষ্ঠানত বিনিয়োগ কৰে তেনে ধনৰ বিনিময়ত তেওঁ ৬ শতাংশ হাৰত সুত পাব।

৭) **ক্ষতিপূৰণ পোৱাৰ অধিকাৰ (Right to indemnity) ঃ** যদিহে কোনো অংশীদাৰে

গতানুগতিক ব্যৱসায়ৰ কামত বা জৰুৰীকালীন সময়ত ব্যৱসায়টোক ক্ষতিৰ পৰা ৰক্ষা কৰিবৰ বাবে যদি কোনোধৰণৰ টকা আদায় দিয়ে বা দিয়াৰ দায়িত্ব ল'ব লগা হয় তেনে ক্ষেত্ৰত তেওঁ এজন সাধাৰণ ব্যক্তিৰ দৰেই ক্ষতিপূৰণ পাব।

অংশীদাৰৰ কর্তব্য (Duties of Partners) ঃ স্পষ্টকৈ বুজি পাবৰ বাবে অংশীদাৰৰ কর্তব্যসমূহ আমি তলত দিয়া ধৰণে দুটা ভাগত আলোচনা কৰিম—

১) নিশ্চিত কর্তব্য

২) নিয়ন্ত্রিত কর্তব্য

১) নিশ্চিত কর্তব্য (Absolute duties) ঃ এই কর্তব্যসমূহ আইনৰ দ্বাৰা নির্ধাৰিত। বাধ্যতামূলক হোৱাৰ বাবে এই কর্তব্যবোৰ সকলো অংশীদাৰীৰ বাবে প্রযোজ্য আৰু অংশীদাৰসকলৰ মাজত চুক্তিৰ দ্বাৰা ইয়াক নাইকিয়া বা সলনি কৰিব নোৱাৰি। অংশীদাৰৰ নিশ্চিত কর্তব্যসমূহ তলত আলোচনা কৰা হ'ল—

ক) বৃহৎ সমূহীয়া সুবিধাৰ বাবে ব্যৱসায় চলোৱা ঃ প্রত্যেকজন অংশীদাৰে ব্যৱসায়ৰ বৃহৎ সমূহীয়া সুবিধাৰ বাবে ব্যৱসায় চলাই যোৱাতো বাধ্যতামূলক। ই ইয়াকে বুজাই যে প্রত্যেকজন অংশীদাৰে তেওঁৰ জ্ঞান আৰু কৌশল প্রতিষ্ঠানখনৰ লাভৰ বাবে ব্যৱহাৰ কৰিব, তেওঁৰ ব্যক্তিগত লাভৰ বাবে নহয়।

খ) অংশীদাৰসকল নিজৰ মাজত বিশ্বাসী হোৱাৰ কর্তব্য ঃ এখন ভাৰসাম্যযুক্ত অংশীদাৰী হ'বলৈ অংশীদাৰসকলৰ মাজত সমূহীয়া বিশ্বাস আৰু তেওঁলোকৰ মাজত সহায়ৰ স্পৃহা থাকিব লাগিব। সেয়েহে প্রত্যেকজনে অংশীদাৰৰে এজনৰ আনজনৰ লগত বিশ্বাস ভাৱ থাকিব লাগিব।

গ) শুদ্ধ হিচাপ দাখিলৰ কর্তব্য ঃ প্রত্যেকজন অংশীদাৰে তেওঁৰ সহ অংশীদাৰসকলক শুদ্ধ যথাযথ হিচাপ দাখিল কৰিব লাগিব। ই ইয়াকে বুজাই যে প্রত্যেকজন অংশীদাৰে ব্যৱসায়ৰ হিচাপ বুজাই দিবলৈ আৰু প্রবিষ্টিসমূহৰ লগত জড়িত নথি-পত্র দেখুৱাবলৈ প্রস্তুত থাকিব লাগিব। প্রতিষ্ঠানখন ক্ষতি কৰি কোনো অংশীদাৰে গুপ্ত লাভ অর্জন কৰিব নোৱাৰিব।

ঘ) সম্পূর্ণ তথ্য যোগান ধৰাৰ কর্তব্য ঃ প্রত্যেকজন অংশীদাৰে প্রতিষ্ঠানৰ কামত প্রভাব পেলোৱা সকলো ধৰণৰ তথ্য সহ অংশীদাৰসকলক জনাব লাগে।

ঙ) প্রবঞ্চনাৰ বাবে ক্ষতিপূৰণ দিয়াৰ কর্তব্য ঃ কোনো অংশীদাৰৰ অমনোযোগিতা, কৌশলৰ অভাব, অবহেলা বা প্রবঞ্চনামূলক কামৰ বাবে প্রতিষ্ঠানৰ ক্ষতি হ'ব পাৰে। সাধাৰণতে যদিহে তেনে ক্ষতি অমনোযোগিতা, অৱহেলা বা কৌশলৰ অভাৱত হয় তেনে ক্ষতি প্রতিষ্ঠানখনে বহন কৰে যদি তেনে ক্ষতি প্রবঞ্চনামূলক কার্যৰ কাৰণে হয় তেনে হ'লে তাক দোষী অংশীদাৰজনৰ পৰা আদায় কৰা হয়।

চ) সমূহীয়া আৰু ব্যাপকভাৱে দায়ী হোৱাৰ কর্তব্য ঃ প্রত্যেকজন অংশীদাৰে আন সকলো অংশীদাৰৰ লগত তেওঁ অংশীদাৰ থকা কালত প্রতিষ্ঠানে কৰা যিকোনো

কামৰ বাবে তৃতীয় পক্ষৰ ওচৰত সমূহীয়াভাৱে দায়বদ্ধ। সকলোবোৰ অংশীদাৰৰ দায়িত্ব অকল সমুহীয়া আৰু ব্যাপক নহয় অপৰিসীমও।

ছ) **তেওঁৰ স্বার্থ আনলৈ হস্তান্তৰ নকৰাৰ কর্তব্য ঃ** কোনো অংশীদাৰে অংশীদাৰীত থকা তেওঁৰ স্বার্থ আন এজনক অংশীদাৰ কৰাৰ মানসেৰে হস্তান্তৰ কৰিব নোৱাৰে। অংশীদাৰজনে তেওঁৰ লাভৰ অংশ বা প্রতিষ্ঠানত থকা তেওঁৰ অংশৰ সম্পত্তি আনলৈ হস্তান্তৰ কৰিব পাৰে কিন্তু যালৈ হস্তান্তৰ কৰা হয় তেওঁ ব্যৱসায়ৰ অন্য কাম-কাজত অংশগ্রহণ কৰিব নোৱাৰে।

২) **নিয়ন্ত্রিত কর্তব্য (Qualified Duties) ঃ** এই অধিকাৰসমূহ অংশীদাৰী চুক্তিৰ আধাৰত আধাৰিত। এনে চুক্তিৰ অবিহনে অংশীদাৰী আইনৰ ধাৰাসমূহ প্রযোজ্য হয়। অন্য কথাত অংশীদাৰসকলে এনে কর্তব্যসমূহ লিখিত বা কথিত সহমতৰ দ্বাৰা ৰদ-বদল কৰিব পাৰে আৰু যদিহে এই বিষয়ে অংশীদাৰী চুক্তিখনত উল্লেখ নাথাকে তেতিয়াহে অংশীদাৰী অইনত থকা কর্তব্যসমূহ অংশীদাৰসকলৰ কর্তব্য হ'ব। অংশীদাৰৰ মাজৰ চুক্তিক বিষয় বস্তু হিচাপে লৈ অংশীদাৰী আইনে তলত দিয়া কর্তব্যসমূহৰ বিধান দিছে—

ক) **কর্তব্য নিষ্ঠাৰে নিজৰ কর্তব্য পালন কৰাৰ কর্তব্য ঃ** ব্যৱসায় চলোৱাৰ বাবে প্রত্যেকজন অংশীদাৰে কর্তব্য নিষ্ঠাৰে নিজৰ কর্তব্য পালন কৰিব লাগে।

খ) **দৰমহা নোহোৱাকৈ কাম কৰাৰ কর্তব্য ঃ** প্রতিষ্ঠানখনৰ ব্যৱসায়ীক কাম কাজত অংশগ্রহণ কৰাৰ বাবে কোনো অংশীদাৰে দৰমহা দাবী কৰিব নোৱাৰে।

গ) **লোকচানৰ দায়িত্ব লোবাৰ কর্তব্য ঃ** কোন অংশীদাৰে কিমান মূলধন যোগান ধৰিছে তাক আওকান কৰি, ব্যৱসায়ত হোৱা লোকচানৰ অংশ সকলো অংশীদাৰে সমানে বহন কৰিবৰ বাবে দায়বদ্ধ।

ঘ) **ইচ্ছাকৃতভাৱে কৰা ভুলৰ বাবে ক্ষতিপূৰণ দিয়াৰ কর্তব্য ঃ** প্রত্যেকজন অংশীদাৰে নিজে ইচ্ছাকৃতভাৱে কৰা ভুলৰ বাবে ব্যৱসায়ৰ যি ক্ষতি হয় তেনে ক্ষতিৰ বাবে প্রতিষ্ঠানখনক ক্ষতিপূৰণ আদায় দিয়াটো এটা কর্তব্য। ইচ্ছাকৃতভাৱে কৰা ভুল মানে কোনো এটা কাম যিটো অংশীদাৰজনে কৰিব লাগে বা কৰিব পাৰিও ইচ্ছাকৃতভাৱে নকৰে বা কৰাৰ পৰা বিৰত থাকে। নিষ্ঠাৰে কামটো কৰাৰ পিচত বা ভুল সিদ্ধান্তৰ বাবে হোৱা ভুলক ইচ্ছাকৃতভাৱে ভুল বুলিব নোৱাৰি।

ঙ) **প্রতিষ্ঠানখনৰ সম্পত্তি কেৱল মাত্র প্রতিষ্ঠানৰ কামত ব্যৱহাৰ কৰাৰ কর্তব্য ঃ** প্রতিষ্ঠানখনৰ সম্পত্তি কেৱল মাত্র প্রতিষ্ঠানৰ কামতহে ব্যৱহাৰ কৰাতো প্রত্যেকজন অংশীদাৰৰে কর্তব্য। কোনো অংশীদাৰে প্রতিষ্ঠানৰ সম্পত্তি ব্যক্তিগত কাৰণত ব্যৱহাৰ কৰিব নালাগে।

চ) **ব্যক্তিগত লাভৰ বাবে জবাবদেহী ঃ** যদি কোনো এজন অংশীদাৰে, প্রতিষ্ঠানৰ লগত জড়িত কোনো লেনদেন বা প্রতিষ্ঠানৰ কোনো সম্পত্তি ব্যৱহাৰ কৰি কোনো ধৰণৰ মুনাফা অর্জন কৰে তেনে মুনাফাৰ বাবে অংশীদাৰজন জবাবদেহী হ'ব আৰু সেইখিনি প্রতিষ্ঠানখনক ঘুৰাই দিব লাগিব।

ছ) **প্ৰতিষ্ঠানখনে কৰা ব্যৱসায়টোৰ লগত প্ৰতিযোগিতা নকৰাৰ কৰ্তব্য ঃ** এজন অংশীদাৰে প্ৰতিযোগিতাৰ বাবে অংশীদাৰী প্ৰতিষ্ঠানখনে কৰা একে ধৰণৰ ব্যৱসায় কৰিব নোৱাৰে। যদিহে তেওঁ তেনে কৰে উক্ত কামৰ বাবে জবাবদেহী হ'ব আৰু তেনে ব্যৱসায়ৰ পৰা হোৱা লাভ অংশীদাৰী প্ৰতিষ্ঠানক আদায় দিব লাগিব। কিন্তু অংশীদাৰজনে প্ৰতিযোগিতা নোহোৱা কোনো ব্যৱসায় নিজাকৈ চলাব পাৰে আৰু তাৰ পৰা পোৱা লাভ নিজে ৰাখিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্ৰশ্ন নং ৪ ঃ অংশীদাৰৰ দুটা অধিকাৰ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৫ ঃ অংশীদাৰৰ দুটা কৰ্তব্য উল্লেখ কৰক।

.....

৭.১১ তৃতীয় পক্ষলৈ অংশীদাৰ/অংশীদাৰীৰ দায়িত্ব (LIABILITIES OF A PARTNER / PARTNERSHIP TO THIRD PARTIES)

ক) **প্ৰতিষ্ঠানখনে কৰা কামৰ বাবে অংশীদাৰ এজনৰ দায়িত্ব (Liability of a Partner for Acts of the Firm) (ধাৰা-২৫) ঃ** প্ৰত্যেকজন অংশীদাৰ আন অংশীদাৰসকলৰ লগত, প্ৰতিষ্ঠানখনে কৰা সকলোবোৰ কামৰ বাবে সমুহীয়াভাৱে আৰু কঠোৰভাৱে দায়বদ্ধ। সকলোবোৰ অংশীদাৰৰে দায়িত্ব অপৰিসীম, সেয়েহে প্ৰতিষ্ঠানখনৰ পাওনাদাৰে অংশীদাৰসকলৰ বিৰুদ্ধে ব্যক্তিগতভাৱে বা সমুহীয়াভাৱে গোচৰ তৰিব পাৰে।

খ) **অংশীদাৰৰ ভুল কাৰ্যৰ বাবে প্ৰতিষ্ঠানৰ দায়িত্ব (Liability of the Firm for Wrongful Act of a Partner) (ধাৰা-২৬) ঃ** যদিহে কোনো অংশীদাৰে কৰা কোনো ধৰণৰ ভুলৰ বাবে কোনো তৃতীয় পক্ষৰ ক্ষতি সাধন হয় বা জৰিমনা ভৰিবলগীয়া হয় তেনে ক্ষেত্ৰত অংশীদাৰসকলৰ লগে লগে প্ৰতিষ্ঠানখনো সমানে দায়বদ্ধ হয়। যদিহে, তেনে কাৰ্য তেওঁ প্ৰতিষ্ঠানৰ সাধাৰণ ব্যৱসায়ীক কাৰ্যৰ ভিতৰত আৰু অন্য অংশীদাৰসকলৰ সহমতত কৰে।

গ) **অংশীদাৰসকলে কৰা অপব্যৱহাৰৰ বাবে প্ৰতিষ্ঠানৰ দায়িত্ব (Liability of the Firm for Misutilisation by Partners) ঃ** যদিহে, (১) এজন অংশীদাৰে কতৃত্বৰ ভিতৰত কোনো তৃতীয় পক্ষৰ পৰা সম্পত্তি বা ধন আদায় কৰি অপব্যৱহাৰ কৰে বা (২) প্ৰতিষ্ঠানখনে কৰ্তৃত্ব সহকাৰে কোনো তৃতীয়পক্ষৰ পৰা সম্পত্তি বা ধন আদায়

কৰে আৰু তেনে ধন কোনো অংশীদাৰে অপব্যৱহাৰ কৰে, তেনে ক্ষেত্ৰত প্ৰতিষ্ঠানখনে ক্ষতিপূৰণ দিয়াৰ বাবে দায়বদ্ধ।

ঘ) **নতুনকৈ সদস্যভৰ্তি হোৱা অংশীদাৰৰ দায়িত্ব (Liability of an Incoming Partner) ঃ** এজন নতুনকৈ সদস্যভৰ্তি হোৱা অংশীদাৰৰ ক্ষেত্ৰত তেওঁ অংশীদাৰীত অংশগ্ৰহণ কৰাৰ দিনাৰ পৰা প্ৰতিষ্ঠানখনে কৰা কাৰ্য বা দেনাৰ বাবেহে দায়বদ্ধ হয়। ইচ্ছাকৃতভাৱে নতুন অংশীদাৰজনে তেওঁৰ সদস্যভৰ্তিৰ আগৰ দেনাৰ দায়িত্ব ল'ব পাৰে। কিন্তু তেনে হ'লেও আগৰ পাওনাদাৰসকলে নতুন সদস্যজনৰ বিৰুদ্ধে গোচৰ তৰিব নোৱাৰে। তেওঁ কেৱল অন্য অংশীদাৰসকলৰ ওচৰতহে দায়বদ্ধ।

ঙ) **অৱসৰ লোৱা অংশীদাৰ এজনৰ দায়িত্ব (Liability of a Retiring Partner) ঃ** এজন অৱসৰ লোৱা অংশীদাৰৰ ক্ষেত্ৰত তেওঁৰ অৱসৰৰ পিছত প্ৰতিষ্ঠানখনে কৰা যিকোনো কামৰ বাবে তেওঁক জগৰীয়া কৰিব নোৱাৰে। কিন্তু যদিহে অন্য অংশীদাৰসকল আৰু তৃতীয় পক্ষৰ মাজত অৱসৰ লোৱা অংশীদাৰজনক তেওঁৰ অৱসৰ গ্ৰহণ কৰাৰ আগৰ দেনাৰ পৰা মুক্তি দিয়াৰ কোনো চুক্তি স্বাক্ষৰ কৰে, তেনে ক্ষেত্ৰত তেওঁক আগৰ দেনাৰ বাবেও জগৰীয়া কৰিব নোৱাৰে। যদিহে তেওঁৰ অৱসৰৰ বিষয়ে ৰাজহুৱা জাননী দিয়া নহয় তেনেহ'লে তেওঁক অৱসৰৰ পিছৰ দেনাৰ বাবেও জগৰীয়া কৰিব পৰা যাব। গুপ্ত অংশীদাৰৰ ক্ষেত্ৰত তেনে জাননীৰ প্ৰয়োজন নহয়।

৭.১২ অংশীদাৰী আৰু অংশীদাৰী প্ৰতিষ্ঠানৰ অৱসায়ন (DISSOLUTION OF PARTNERSHIP AND DISSOLUTION OF FIRM)

৭.১২.১ অংশীদাৰীৰ অৱসায়ন (Dissolution of Partnership)

অংশীদাৰীৰ অৱসায়ন বুলিলে অংশীদাৰসকলৰ চলিত সম্পৰ্কৰ সালসলনিক বুজাই। পুনৰ গঠনৰ পিছত প্ৰতিষ্ঠান এখনৰ ব্যৱসায় চলি থাকে। অংশীদাৰ এজনৰ নতুন সদস্যভৰ্তি, অৱসৰ আৰু মৃত্যু বা লাভাংশ ভাগবতৰাৰ হাৰ সলনি কৰিলে ই অংশীদাৰী ব্যৱসায়ৰ অৱসায়ন হ'ব।

উদাহৰণস্বৰূপে, 'ক', 'খ' আৰু 'গ' এখন প্ৰতিষ্ঠানৰ তিনিজন অংশীদাৰ আছিল। খ ই অৱসৰ ললে। লগে লগে 'ক', 'খ' আৰু 'গ'ৰ মাজৰ অংশীদাৰী সমাপ্ত হ'ব আৰু 'ক' আৰু 'গ' মাজত এখন নতুন অংশীদাৰী আৰম্ভ হ'ব। এই নতুন অংশীদাৰখনক পুনৰ গঠিত অংশীদাৰী বুলি কোৱা হয়।

এজন নতুন অংশীদাৰৰ অৱসৰৰ লগে লগে পুৰণি অংশীদাৰী ভংগ হয়। কিন্তু প্ৰতিষ্ঠানখনে বাকী থকা অংশীদাৰসকলৰ লগত ব্যৱসায় চলাই থাকে।

তলত দিয়া পৰিস্থিতিসমূহত অংশীদাৰী এটা ভংগ হ'ব পাৰে—

ক) এজন নতুন অংশীদাৰৰ যোগদানত,

খ) এজন অংশীদাৰৰ অৱসৰ বা মৃত্যুত,

গ) লাভাংশ বিতৰণৰ হাৰ সালসলনি সময়ত,

ঘ) যদি কোনো অংশীদাৰক দেউলীয়া ঘোষণা কৰিলে,

ঙ) কোনো অংশীদাৰক বহিষ্কাৰ কৰিলে,

চ) অংশীদাৰীৰ ম্যাদ উকলি গ'লে।

ওপৰৰ আলোচনাৰ পৰা এইটো বুজিব পৰা যায় যে অংশীদাৰৰ অৱসায়ন হোৱাৰ পিছতও অংশীদাৰী প্ৰতিষ্ঠানখনে নতুন চুক্তিৰ আধাৰত ব্যৱসায় চলাই যাব পাৰে, কিন্তু অংশীদাৰী প্ৰতিষ্ঠান এখনৰ অৱসায়ন হ'লে ব্যৱসায় বন্ধ হৈ যায়।

৭.১২.২ অংশীদাৰীৰ প্ৰতিষ্ঠানৰ অৱসায়ন (Dissolution of Firm)

অংশীদাৰী প্ৰতিষ্ঠান এখনৰ অৱসায়ন মানে প্ৰতিষ্ঠানখনৰ সকলো অংশীদাৰৰ মাজৰ অংশীদাৰীৰ অৱসায়ন। এনে ক্ষেত্ৰত প্ৰতিষ্ঠান এখনৰ ব্যৱসায় বন্ধ হয়, সম্পত্তিবোৰ আদায় কৰা হয়, দেনাবোৰ আদায় দিয়া হয় আৰু কিবা ৰাহি থাকিলে অংশীদাৰসকলৰ মাজত অধিকাৰ সাপেক্ষে ভগাই দিয়া হয়।

৭.১২.৩ অংশীদাৰ অৱসায়নৰ পন্থা (Modes of Dissolution of Firm)

এখন অংশীদাৰী প্ৰতিষ্ঠানৰ তলত দিয়া ধৰণে অৱসায়ন হ'ব পাৰে।

ক) **ন্যায়ালয়ৰ আদেশ মৰ্মে (By the order of the Court) ঃ** এখন অংশীদাৰী প্ৰতিষ্ঠানৰ যিকোনো সদস্যই অংশীদাৰী প্ৰতিষ্ঠানখনৰ অৱসায়নৰ বাবে ন্যায়ালয়ৰ ওচৰত আৱেদন কৰিব পাৰে। তেনে আৱেদন পোৱাৰ পিছত ন্যায়ালয়ে তলত দিয়া পৰিস্থিতিসমূহত প্ৰতিষ্ঠানখনৰ অৱসায়নৰ বাবে আগবাঢ়িব পাৰে (ধাৰা-৪৪)।

১) যদি কোনো এজন অংশীদাৰৰ মানসিক ভাৰসাম্য হেৰাই,

২) ন্যায়ালয়ত আৱেদন কৰা অংশীদাৰজনৰ বাহিৰে আন কোনো অংশীদাৰে যদি তেওঁৰ কৰ্তব্য পালন ব্যৰ্থ হয়।

৩) ন্যায়ালয়ত আৱেদন কৰা অংশীদাৰজনৰ বাহিৰে আন কোনো অংশীদাৰ যদি কোনো ধৰণৰ অন্যায় কাৰ্যত দোষী সাব্যস্ত হয়।

৪) ন্যায়ালয়ত আৱেদন কৰা অংশীদাৰজনৰ বাহিৰে আন কোনো অংশীদাৰে যদি ইচ্ছাকৃতভাৱে অংশীদাৰীৰ চুক্তি ভংগ কৰে।

৫) ন্যায়ালয়ত আৱেদন কৰা অংশীদাৰজনৰ বাহিৰে আন কোনো অংশীদাৰে আন অংশীদাৰসকলৰ অনুমতি অবিহনে প্ৰতিষ্ঠানত থকা তেওঁৰ অধিকাৰ তৃতীয় পক্ষলৈ হস্তান্তৰ কৰে।

৬) ন্যায়ালয়ে যদিহে বিশ্বাস কৰে যে লোকচান নোহোৱাকৈ ব্যৱসায়টো চলাব নোৱাৰি।

৭) যদি ন্যায়ালয়ে নিৰপক্ষভাৱে আন কোনো কাৰণত প্ৰতিষ্ঠানখনৰ অৱসায়ন কৰিব খুজে।

খ) ন্যায়ালয়ৰ আদেশ অবিহনে (Without the Intervention of the Court) ঃ

১) **বন্দবস্তৰ দ্বাৰা অৱসায়ন (Dissolution by Agreement) ঃ** এখন অংশীদাৰী প্ৰতিষ্ঠান সকলোবোৰ অংশীদাৰৰ সহমতত বা চুক্তি অনুসৰি অৱসায়ন হ'ব পাৰে।

২) **বাধ্যতামূলক অৱসায়ন (Compulsory Dissolution) ঃ** তলত দিয়া পৰিস্থিতিসমূহত অংশীদাৰী প্ৰতিষ্ঠান এখনৰ বাধ্যতামূলক অৱসায়ন হ'ব পাৰে—

- যদিহে সকলোবোৰ অংশীদাৰ বা এজন বাহিৰে আন সকলোবোৰ অংশীদাৰক দেউলীয়া ঘোষণা কৰা হয়।
- যদিহে ব্যৱসায়টো বেআইনী হয়,
- যদিহে এজনৰ বাহিৰে আন সকলোবোৰ অংশীদাৰে অংশীদাৰী প্ৰতিষ্ঠানৰ পৰা অৱসৰ লয়,
- যদিহে সকলো অংশীদাৰৰ বা এজনৰ বাহিৰে আন সকলো অংশীদাৰৰ মৃত্যু হয়,
- যদিহে অংশীদাৰী চুক্তিখনৰ তলত দিয়া ঘটনাকেইটাৰ উল্লেখ থাকে—
  - যিখিনি সময়ৰ কাৰণে অংশীদাৰীখনৰ প্ৰতিষ্ঠা কৰা হৈছিল তাৰ ম্যাদ উকলি গ'লে,
  - যি প্ৰকল্প সম্পূৰ্ণ কৰাৰ কাৰণে অংশীদাৰীৰ গঠন কৰা হৈছিল সেই প্ৰকল্পটো সম্পূৰ্ণ হ'লে।

গ) আকস্মিক ঘটনাৰ বাবে (Dissolution on the Happening of Certain Contingencies) ঃ অংশীদাৰসকল চুক্তিবদ্ধ হোৱা অনুসৰি অংশীদাৰী প্ৰতিষ্ঠান এখনৰ অৱসায়ন হ'ব পাৰে—

১) যদিহে নিৰ্দিষ্ট সময়ৰ বাবে গঠন কৰা অংশীদাৰীয়ে তেনে নিৰ্দিষ্ট সময় পূৰ্ণ কৰে,

২) যদিহে কোনো নিৰ্দিষ্ট কাৰ্য কৰাৰ বাবে অংশীদাৰী গঠন কৰা হয়, তেনে কাৰ্য পূৰ্ণ কৰিলে,

৩) অংশীদাৰৰ মৃত্যুত,

৪) অংশীদাৰ দেউলীয়া হ'লে।

ঘ) **অংশীদাৰ স্বইচ্ছাই জাননিৰ দ্বাৰা অৱসায়ন (Dissolution by Notice of Partnership at Will) ঃ** অংশীদাৰী এটাৰ যিকোনো অংশীদাৰে অংশীদাৰীৰ অৱসায়নৰ ইচ্ছা প্ৰকাশ কৰি লিখিত জাননী দিব পাৰে, তেনে ক্ষেত্ৰত জাননীত উল্লেখ থকা তাৰিখৰ পৰাই অংশীদাৰী প্ৰতিষ্ঠানৰ অৱসায়ন ঘটে। যদিহে কোনোধৰণৰ তাৰিখ উল্লেখ নাথাকে যি সময়ত জাননীখন দিয়ে সেই সময়ৰ পৰা অংশীদাৰী প্ৰতিষ্ঠানখনৰ অৱসায়ন ঘটে।

৭.১২.৪ অৱসায়নৰ পিছত সুনাম বিক্ৰী (Sales of Good will after Dissolution)

অৱসায়নৰ পিছত সুনাম বিক্ৰীৰ ব্যৱস্থাসমূহ তলত দিয়া ধৰণৰ—

ক) অৱসায়নৰ পিছত অংশীদাৰী প্ৰতিষ্ঠানৰ হিচাপ বন্ধৰ সময়ত অংশীদাৰীসকলৰ মাজৰ চুক্তি অনুসৰি ব্যৱসায়ৰ সুনাম সম্পত্তিৰ লগত সংলগ্ন কৰিব পাৰে। বেলেগে বিক্ৰী কৰিব পাৰে বা প্ৰতিষ্ঠানৰ আন সম্পত্তিৰ লগত বিক্ৰী কৰিব পাৰে।

খ) অংশীদাৰী প্ৰতিষ্ঠানৰ অৱসায়নত সুনাম বিক্ৰীৰ পিছত সুনাম ক্ৰেতাজনৰ সৈতে প্ৰতিযোগিতা কৰি কোনো এজন অংশীদাৰে আন এটা ব্যৱসায় চলাই নিব পাৰে। কিন্তু তেওঁৰ আৰু সুনাম ক্ৰেতাৰ চুক্তি অনুসৰি তেওঁ প্ৰতিষ্ঠানখনৰ নাম ব্যৱহাৰ কৰিব নোৱাৰিব পাৰে।

১) নিজকে প্ৰতিষ্ঠানখনৰ ব্যৱসায় চলাই নিয়াৰ বাবে প্ৰতিনিধি বুলি দাবী কৰিব নোৱাৰি।

২) অৱসায়নৰ আগতে প্ৰতিষ্ঠানৰ লগত জড়িত হৈ থকা কোনো ব্যক্তিৰ হৈ কোনো গোহাৰি কৰিব নোৱাৰিব।



৭.১৩ অধ্যয়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- ভাৰতবৰ্ষত অংশীদাৰী ব্যৱসায় ভাৰতীয় অংশীদাৰী আইনৰ দ্বাৰা নিয়ন্ত্ৰণ কৰা হয়। ভাৰতীয় অংশীদাৰী আইনখন ১ অক্টোবৰ, ১৯৩২ চনৰ পৰা প্ৰযোজ্য হৈছিল।
- অংশীদাৰী হ'ল কেইজনমান মানুহৰ মাজৰ সম্পৰ্ক যিসকলে সকলোৰে লগ লাগি পৰিচালনা কৰা বা সকলোৰে হৈ কোনোৱে চলাই থকা ব্যৱসায় এটাৰ মুনাফা ভগাই লোৱাত সহমত প্ৰকাশ কৰে।

- অংশীদাৰীৰ প্ৰয়োজনীয় বৈশিষ্ট্যসমূহ হ'ল বন্দবস্ত ,দুই বা ততোধিক ব্যক্তিৰ সংস্থা,লাভাংশ বিতৰণ,সম্পূৰ্ণ বিশ্বাস,অসীমিত দেনা।
- যদিও অংশীদাৰী প্ৰতিষ্ঠান এখনৰ পঞ্জীয়ন বাধ্যতামূলক নহয়।
- সকলো অংশীদাৰৰ অনুমতি মৰ্মে অংশীদাৰীৰ লাভালাভৰ বাবে নাবালক এজনক অংশীদাৰীত অন্তৰ্ভুক্ত কৰি ল'ব পাৰি
- এখন অংশীদাৰী প্ৰতিষ্ঠানৰ অৱসায়ন **ন্যায়ালয়ৰ আদেশ মৰ্মে** আৰু **ন্যায়ালয়ৰ আদেশ অবিহনে** হ'ব পাৰে।



৭.১৪ অধিক জানিবলৈ (FURTHER READINGS)

ইংৰাজী গ্ৰন্থ ঃ

1) *Indian Partnership Act*, 1932, (2014). New Delhi : Lawmann's.
2) Kapoor, N. D., *Elements of Mercantile Law*. New Delhi : S. Chand & Co. ltd.
3) Shukla, M. C. (2007), *Mercantile Law*, New Delhi : S. Chand & Co. Ltd.



৭.১৫ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১নং প্ৰশ্নৰ উত্তৰ ঃ অংশীদাৰীৰ চাৰিটা প্ৰয়োজনীয় বৈশিষ্ট্য হ'ল বন্দবস্ত ,দুই বা ততোধিক ব্যক্তিৰ সংস্থা,লাভাংশ বিতৰণ আৰু অসীমিত দেনা

২নং প্ৰশ্নৰ উত্তৰ ঃ অংশীদাৰী আৰু কোম্পানীৰ মাজৰ দুটা পাৰ্থক্য হ'ল—

১) কোম্পানী এটাক এজন কৃত্ৰিম ব্যক্তি হিচাপে গণ্য কৰা হয় কিন্তু অংশীদাৰী এটা কৃত্ৰিম ব্যক্তি হিচাপে গণ্য কৰা নহয় ।

২) কোম্পানী এটাৰ চিৰস্থায়ী জীৱন আছে কিন্তু অংশীদাৰী প্ৰতিষ্ঠান এটাৰ চিৰস্থায়ী জীৱন নাই।

৩নং প্ৰশ্নৰ উত্তৰ ঃ এজন সুপ্ত বা নিষ্ক্ৰীয় অংশীদাৰে ব্যৱসায়ৰ পৰিচালনাত কোনো সক্ৰিয় অংশগ্ৰহণ নকৰে।

৪নং প্ৰশ্নৰ উত্তৰ ঃ ব্যৱসায়ত অংশগ্ৰহণ কৰাৰ অধিকাৰ, মতামত প্ৰকাশ কৰাৰ অধিকাৰ।

৫নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্তব্য নিষ্ঠাৰে নিজৰ কৰ্তব্য পালন কৰাৰ কৰ্তব্য, লোকচানৰ দায়িত্ব লোবাৰ কৰ্তব্য।



৭.১৬ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ ঃ অংশীদাৰীৰ সংজ্ঞা দিয়ক। অংশীদাৰীৰ বৈশিষ্ট্যসমূহ কি কি?

প্ৰশ্ন ২ ঃ অংশীদাৰী আৰু কোম্পানীৰ মাজৰ পাৰ্থক্যসমূহ কি কি?

প্ৰশ্ন ৩ ঃ এখন অংশীদাৰী প্ৰতিষ্ঠানত থকা বিভিন্ন প্ৰকাৰৰ অংশীদাৰসমূহ কি কি?

প্ৰশ্ন ৪ ঃ নাবালক এজন অংশীদাৰী প্ৰতিষ্ঠানৰ অংশীদাৰ হ'ব পাৰেনে? আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ অংশীদাৰীৰ পঞ্জীয়নৰ পদ্ধতিটো কি? অংশীদাৰীৰ পঞ্জীয়ন নকৰা পৰিণামসমূহ কি কি?

প্ৰশ্ন ৬ ঃ অংশীদাৰী প্ৰতিষ্ঠান এটাত অংশীদাৰসকলৰ অধিকাৰ আৰু কৰ্তব্যসমূহ কি কি?

প্ৰশ্ন ৭ ঃ অংশীদাৰীৰ অৱসায়নৰ বিভিন্ন প্ৰকাৰসমূহ কি কি?

*** ***** ***